# REGIONAL NEWS UNIT
# AKASHVANI, GUWAHATI

0000000000

**Date :** 21-10-2025
**Time :** 1845 Hrs.

## *Assamese Evening Bulletin*
## HEADLINES

০০০০০০০

১।   বাক্সাৰ নিকাচীৰ ঘটনা সন্দৰ্ভত স্থানীয় লোকৰ সৈতে মুখ্যমন্ত্ৰী ডº হিমন্ত বিশ্ব শৰ্মাৰ মত বিনিময়। আহত দুগৰাকী ব্যক্তিৰ চিকিৎসাৰ বাবে ২ লাখ টকাকৈ প্ৰদান।

২।   জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনাৰ তদন্তৰ বাবে ছিংগাপুৰলৈ যোৱা এছ আই টিৰ বিষয়াৰ দেশখনৰ আৰক্ষীৰ সৈতে আলোচনা।

৩।   ৰাজ্যৰ বিভিন্ন স্থানত আৰক্ষী স্মৃতি দিৱস পালন।

৪।   ৰাজ্যৰ প্ৰান্তে প্ৰান্তে আজি পোহৰৰ উৎসৱ দীপাৱলী উদযাপন।

*আৰু*

৫।   আই চি চি মহিলা বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত দক্ষিণ আফ্ৰিকা আৰু পাকিস্তানৰ মাজৰ খেল বৰষুণৰ বাবে ৪০ অভাৰলৈ হ্ৰাস

০০০০০০০

জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ ঘটনাত অভিযুক্ত ৫ জনক বাক্সা জিলাৰ নিকাচীত থকা কাৰাগাৰলৈ নিয়াৰ সময়ত সংঘটিত অপ্ৰীতিকৰ ঘটনাৰ বুজ লোৱাৰ বাবে আজি মুখ্যমন্ত্ৰী ডº হিমন্ত বিশ্ব শৰ্মাই স্থানীয় গাঁওবাসীৰ সৈতে মত বিনিময় কৰে। জিলাখনৰ কুৰেৰী লক্ষ্মী মন্দিৰত আয়োজিত এখন ৰাজহুৱা সভাত অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে যোৱা ১৫ অক্টোবৰত জিলা কাৰাগাৰৰ সন্মুখত সংঘটিত ঘটনাত আহত দুজন লোকৰ চিকিৎসাৰ বাবে ২ লাখ টকাকৈ চেক্ প্ৰদান কৰে। আহত দীপক মেধি আৰু বিদ্যুৎ কলিতাৰ চিকিৎসাৰ বাবে পৰিয়ালৰ লোক এই চেক্ প্ৰদান কৰাৰ লগতে প্ৰয়োজন সাপেক্ষে দুয়োজন ব্যক্তিৰ উন্নত চিকিৎসাৰ বাবে চৰকাৰে ব্যৱস্থা ল'ব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। ১৫ অক্টোবৰৰ ঘটনাৰ পাছৰে পৰা গাঁওখনৰ বহু যুৱক ঘৰৰ পৰা আঁতৰি থকা বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে এই যুৱকসকলক ঘৰলৈ ঘূৰি আহি আৰক্ষীক সহযোগিতা আগবঢ়াবলৈ আহ্বান জনায়। কুৰেৰীত থকা লক্ষ্মী মন্দিৰ আৰু শিৱ মন্দিৰৰ বাবে ১০ লাখ টকাকৈ অনুদান আগবঢ়োৱা হ'ব বুলিও মুখ্যমন্ত্ৰীয়ে আজি ঘোষণা কৰে। সভাৰ অন্তত সাংবাদিকৰ সৈতে হোৱা বাৰ্তালাপত মুখ্যমন্ত্ৰীয়ে যোৱা ১৫ অক্টোবৰত সংঘটিত ঘটনাক দুৰ্ভাগ্যজনক আখ্যা দিয়াৰ লগতে জুবিন গাৰ্গক ন্যায় প্ৰদান কৰাৰ ক্ষেত্ৰত চৰকাৰে অগ্ৰাধিকাৰ দিয়া বুলি কয়।

***বাইট ঃ মুখ্যমন্ত্ৰী***

ইপিনে, জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনাৰ তদন্ত সঠিক দিশত আগবঢ়া নাই বুলি অভিযোগ কৰি অসম প্ৰদেশ কংগ্ৰেছে এই তদন্ত কেন্দ্ৰীয় তদন্তকাৰী সংস্থা চি বি আইৰ দ্বাৰা কৰাব লাগে বুলি দাবী জনাইছে। আজি গুৱাহাটীৰ ৰাজীৱ ভৱনত দলটোৱে আয়োজন কৰা এখন সংবাদমেলত কংগ্ৰেছৰ জ্যেষ্ঠ নেতা তথা বিধানসভাৰ বিৰোধী

দলপতি দেৱব্ৰত শইকীয়াই এই দাবী জনোৱাৰ লগতে এছ আই টিৰ দ্বাৰা হোৱা তদন্তত এটা প্ৰভাৱশালী চক্ৰই বিধি পথালি দিয়াৰ সম্ভাৱনা আছে বুলি কয়।

০০০০০০০

জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনাৰ তদন্তৰ বাবে ছিংগাপুৰলৈ যোৱা অসম আৰক্ষীৰ বিশেষ তদন্তকাৰী গোটে আজি দেশখনৰ আৰক্ষীৰ সৈতে আলোচনাত মিলিত হয়। এছ আই টিৰ মুৰব্বী মুন্নাপ্ৰসাদ গুপ্তা আৰু সহকাৰী তদন্তকাৰী বিষয়া তৰুণ গোৱেলে ছিংগাপুৰ আৰক্ষীৰ পৰা জুবিন গাৰ্গৰ মৃত্যু সন্দৰ্ভত যাৱতীয় তথ্য সংগ্ৰহ কৰে। ছিংগাপুৰ আৰক্ষীৰ সৈতে এছ আই টিৰ বিষয়া দুগৰাকীয়ে প্ৰায় ৩ ঘণ্টা আলোচনাত মিলিত হোৱাৰ পাছত আৰক্ষীয়ে এছ আই টিক সম্পূৰ্ণ সহযোগিতা আগবঢ়োৱাৰ আশ্বাস দিয়ে। ৩ মাহৰ ভিতৰত ছিংগাপুৰ আৰক্ষীয়ে তদন্তৰ প্ৰতিবেদন দাখিল কৰিব বুলি প্ৰকাশ কৰিছে। অসমৰ পৰা যোৱা এছ আই টিৰ বিষয়া দুগৰাকীয়ে ইতিমধ্যে জুবিন গাৰ্গ থকা হোটেলখনৰ লগতে দুৰ্ঘটনা সংঘটিত হোৱা স্থান পৰিদৰ্শন কৰিছে।

ইপিনে, শিল্পী সমাজৰ হৈ আৰক্ষীক এজাহাৰ দাখিল কৰা কণ্ঠশিল্পী গীতালী দেৱীৰ আজি সাক্ষ্য এছ আই টিয়ে গ্ৰহণ কৰে। তদন্তকাৰী গোটক সাক্ষ্য দিয়াৰ পাছত কণ্ঠশিল্পীগৰাকীয়ে সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰা মতে তেওঁৰ হাতত থকা সকলো তথ্য এছ আই টিক দাখিল কৰিছে। জুবিন গাৰ্গক ছিংগাপুৰলৈ নিয়া সকলো লোকেই দোষী বুলিও শিল্পীগৰাকীয়ে মন্তব্য কৰিছে।

০০০০০০০

ৰাজ্যৰ বিভিন্ন স্থানত আজি আৰক্ষী স্মৃতি দিৱস পালন কৰা হয়। এই দিৱস উপলক্ষে দেশৰ বাবে প্ৰাণ আহুতি দিয়া আৰক্ষীলৈ শ্ৰদ্ধাঞ্জলি জনোৱা হয়। কাহিলিপাৰাৰ দশম অসম আৰক্ষী ছাউনীত পালন কৰা আৰক্ষী স্মৃতি দিৱসৰ কাৰ্যসূচীত ৰাজ্যপাল লক্ষ্মণপ্ৰসাদ আচাৰ্যই ছহিদসকললৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। অসম আৰক্ষীৰ সঞ্চালক প্ৰধান হৰমীত সিঙকে ধৰি আৰক্ষীৰ শীৰ্ষ বিষয়াসকলেও শ্ৰদ্ধাঞ্জলি জনায়। দিৱস উপলক্ষে আকৰ্ষণীয় পেৰেড অনুষ্ঠিত হয়। আৰক্ষী স্মৃতি দিৱস উপলক্ষে মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই অসম আৰক্ষীলৈ অভিবাদন জ্ঞাপন কৰে। দেশক ৰক্ষা কৰাৰ বাবে আৰক্ষীৰ ত্যাগক শ্ৰদ্ধাৰে স্মৰণ কৰাৰ বিষয়েও মুখ্যমন্ত্ৰীগৰাকীয়ে সামাজিক মাধ্যমযোগে সদৰি কৰে। তেওঁ কয়, যে আৰক্ষীৰ নিৰন্তৰ সেৱাই জনসাধাৰণক সুৰক্ষা আৰু নিৰাপত্তা প্ৰদান কৰি আহিছে। আৰক্ষী স্মৃতি দিৱস সন্দৰ্ভত আৰক্ষী সঞ্চালক প্ৰধান হৰমীট সিঙে এইদৰে কয়–

*-বাইট-*

হাটশিঙিমাৰীৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষকৰ কাৰ্যালয়তো আজি আৰক্ষী স্মৃতি দিৱস পালন কৰা হয়। জিলা আৰক্ষী অধীক্ষক হৰেণ টকবীয়ে আৰক্ষীৰ স্মৃতি দিৱস সম্পৰ্কে আলোকপাত কৰে।

তিনিচুকীয়া আৰক্ষী ছাউনীটো আজি আৰক্ষী স্মৃতি দিৱস পালন কৰা হয়। একেদৰে যোৰহাট আৰক্ষীয়েও স্মৃতি দিৱস পালন কৰে। জিলাখনৰ আৰক্ষী অধীক্ষককে ধৰি আৰক্ষী বিষয়া আৰু কৰ্মচাৰীসকলে সাহসী জোৱানসকললৈ শ্ৰদ্ধা নিবেদন কৰে।

কাছাৰ জিলাৰ আৰক্ষী কাৰ্যালয়তো আজি আৰক্ষী স্মৃতি দিৱস পালন কৰা হয়। অনুষ্ঠানত উপস্থিত থাকি জিলাখনৰ আৰক্ষী অধীক্ষক নোমল মাহাত্তাৰ লগতে অন্যান্য আৰক্ষী বিষয়া আৰু কৰ্মচাৰীসকলে সাহসী জোৱানসকললৈ শ্ৰদ্ধা জনায়।

উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ ৰে'লৰে সুৰক্ষা বাহিনীয়েও মালিগাঁৱত আৰক্ষী স্মৃতি দিৱস পালন কৰে। উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ মুখ্য কাৰ্যালয় আৰু বৃহত্তৰ গুৱাহাটী অঞ্চলৰ জ্যেষ্ঠ বিষয়াবৰ্গ, আৰ পি এফৰ বিষয়াবৰ্গই আনুষ্ঠানিক পোছাক পৰিধান কৰি এই কাৰ্যসূচীত অংশগ্ৰহণ কৰে।

০০০০০০০

সমগ্ৰ ৰাজ্যতে আজি পোহৰৰ উৎসৱ দীপাৱলী উদ্‌যাপন কৰা হৈছে। অসমবাসীৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ অকাল বিয়োগে জনসাধাৰণৰ মন সেমেকা কৰি ৰাখিছে যদিও ৰাজ্যৰ অধিকাংশ লোকেই মাটিৰ চাকিৰে দীপান্বিতা পালন কৰি প্ৰিয় শিল্পীগৰাকীৰ প্ৰতি শ্ৰদ্ধা জনাইছে। মৃৎ শিল্পীসকলে প্ৰস্তুত কৰা চাকি আৰু বিভিন্ন ৰঙীন বিজুলীবাতিৰে ৰাজ্যৰ চহৰ, নগৰৰ বাসগৃহসমূহ লগতে বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানসমূহ পোহৰাই তোলা হৈছে। গুৱাহাটী মহানগৰীতো দীপাৱলী পালন কৰা হৈছে। এই উপলক্ষে মহানগৰীখনৰ ভালেসংখ্যক বাসগৃহ আলোকমালাৰে সজাই তোলাৰ লগতে ঘৰৰ সন্মুখভাগ আৰু দোকান পোহাৰৰ সন্মুখত শাৰী শাৰী কলগছ পুতি বন্তিৰে চৌপাশ উজ্বলাই তোলা হৈছে। অৱশ্যে এইবেলি পূৰ্বৰ জাকজমকতা পৰিহাৰ কৰি দীপান্বিতা পালন কৰা হৈছে।

ৰাজ্যৰ বিভিন্ন ঠাইত কালিৰে পৰা ধৰ্মীয় পৰম্পৰাৰে শ্ৰীশ্ৰী শ্যামা পূজা বা কালী পূজা পালন কৰা হৈছে। বাক্সা জিলাৰ শালবাৰী মহকুমাৰ সাউদৰ ভিঠাৰ দৰিকণাজানিত যোৱা নিশাৰে পৰা পাঁচদিনীয়াকৈ শ্যামা পূজা অনুষ্ঠিত হৈছে।

নলবাৰীৰ স্বৰ্গদেউ ৰাজেশ্বৰ সিংহই প্ৰতিষ্ঠা কৰা শিৱ কালীধাম পৰম্পৰাগত ৰীতি-নীতিৰে আধ্যাত্মিকতা বজাই ৰাখি চাৰিদিনীয়াকৈ কালী পূজা কৰা হৈছে। আজি তৃতীয় দিনাও শক্তিৰূপিনি দেৱীৰ আৰাধনাৰ বাবে বহু লোক সমবেত হৈছে। ধুবুৰী জিলাত কালি দীপাৱলীৰ উৎসৱৰ মাজতে সংঘটিত অগ্নিকাণ্ডত ১৪খন দোকান ভস্মীভূত হয়। এই অগ্নিকাণ্ডত প্ৰায় ৭০ লাখ টকাৰ সামগ্ৰী ভস্মীভূত হয় বুলি প্ৰকাশ কৰা হৈছে।

মৰিগাঁও জিলাৰ অন্যতম স্বেচ্ছাসেৱী সংগঠন সহায় অসমৰ উদ্যোগত দীপাৱলীত ব্যৱহৃত কলগছ হাতীৰ খাদ্য হিচাপে যোগান ধৰা কাৰ্যসূচী লোৱা হৈছে। যোৱা ২২ বছৰে সংগঠনটোৱে চাকি জ্বলাবলৈ ব্যৱহাৰ কৰা কলগছসমূহ দীপাৱলীৰ পিছদিনা পবিতৰা অভয়াৰণ্য আৰু আমচৈ পাহাৰলৈ লৈ গৈ হাতীক খাদ্য হিচাপে যোগান ধৰে। আজিও এনে ধৰণে বহু কলগছ অভয়াৰণ্য,খনলৈ লৈ যোৱা হয়।

০০০০০০০

মৰিগাঁও জিলাৰ পবিতৰা অভয়াৰণ্য পৰহিলৈ পুনৰ  পৰ্যটকৰ বাবে মুকলি কৰা হ'ব। বাৰিষাৰ বাবে বন্ধ হৈ থকা অভয়াৰণ্যখনত বানৰ ফলত হোৱা আন্তঃগাঁথনিৰ ক্ষতি ইতিমধ্যে মেৰামতি কৰা হৈছে বুলি অভয়াৰণ্যখনৰ মাণ্ডলিক বিষয়া প্ৰাঞ্জল বৰুৱাই প্ৰকাশ কৰিছে। তেওঁ কয় যে অভয়াৰণ্যখন মুকলি কৰাৰ লগে লগে পৰ্যটকসকলে জীপ আৰু হাতী চাফাৰি কৰিব পাৰিব। উল্লেখযোগ্য যে ১৯৯৮ চনত পবিতৰা সংৰক্ষিত বনাঞ্চল আৰু ৰজামায়ং পাহাৰ সংৰক্ষিত বনাঞ্চলৰ একত্ৰীকৰণ কৰি পবিতৰা অভয়াৰণ্যখন গঠন কৰা হৈছিল। বিশ্বৰ ভিতৰত কম আয়তনত সৰ্বাধিক গঁড় থকা অভয়াৰণ্যখনৰ দ্বাৰ বন মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে আনুষ্ঠানিকভাৱে মুকলি কৰিব। উল্লেখযোগ্য যে ১১০টা গঁড় থকা অভয়াৰণ্যখনত শীতৰ আগমনৰ লগে লগে দেশী-বিদেশী বহু পৰিভ্ৰমী চৰায়ে বাহ লোৱা বুলি কৰ্তৃপক্ষই জানিবলৈ দিছে। উদ্যানখনত ২০২২ চনত কৰা পিয়ল অনুসৰি ২২টা প্ৰজাতিৰ স্তন্যপায়ী প্ৰাণী, ২৭টা প্ৰজাতিৰ সৰীসৃপ, ৯টা উভচৰ প্ৰজাতিৰ প্ৰাণী, ৪১বিধ মাছ আৰু ৩৭৫টা প্ৰজাতিৰ চৰাই আছে। গঁড়ৰ উপৰি

অভয়াৰণ্যখনৰ ঘাঁহনি, অৰণ্য আৰু জলাশয়ত নাহৰ ফুটুকী, বনৰীয়া ম'হ, বনৰীয়া গাহৰি আৰু হৰিণৰ কেইবাটাও প্ৰজাতি পোৱা যায়।

০০০০০০০

বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনে অহা ৮ নৱেম্বৰত বিশ্বনাথ জিলাৰ ভোলাগুৰিত প্ৰথম অসমীয়া চলচ্চিত্ৰ জয়মতী নিৰ্মাণস্থলীত ছহিদ কনকলতা বৰুৱা বিশ্ববিদ্যালয়ৰ আধাৰশিলা স্থাপন কৰিব। প্ৰায় ৭৪০ বিঘা ভূমি সামৰি নিৰ্মাণ হ'বলগীয়া ৰাজ্যিক পৰ্যায়ৰ বিশ্ববিদ্যালয়খনৰ বাবে অসম চৰকাৰে প্ৰথম পৰ্যায়ত ৩৫০ কোটি টকা ব্যয় কৰিব। উল্লেখযোগ্য যে দুদিনীয়া ভ্ৰমণসূচীৰে ৭ নৱেম্বৰত অসমত উপস্থিত হ'বলগীয়া বিত্তমন্ত্ৰীগৰাকীয়ে কেইবাটাও কাৰ্যসূচীত অংশ ল'ব। ৰাজ্যৰ বিত্ত মন্ত্ৰী অজন্তা নেওগ আৰু মুখ্য সচিব ড০ ৰবি কোটাই আজি শ্ৰীমতী সীতাৰমনে আধাৰশিলা স্থাপন কৰিবলগীয়া স্থান পৰিদৰ্শন কৰাৰ উপৰি মন্ত্ৰীগৰাকীৰ ভ্ৰমণৰ প্ৰস্তুতিৰ বুজ লয়। এই সন্দৰ্ভত বিত্ত মন্ত্ৰী শ্ৰীমতী নেওগে এইদৰে কয়।

*-বাইট-*

০০০০০০০

গুৱাহাটী প্ৰেছ ক্লাবৰ সাধাৰণ নিৰ্বাচনৰ ভোট গ্ৰহণ আজি সুকলকমে সম্পন্ন হয়। পুৱা ৮ বজাৰ পৰা বিয়লি ৪ বজালৈ চলা এই ভোটগ্ৰহণত এহেজাৰ ১১৪গৰাকী ভোটদাতাৰ ভিতৰত ৯৩৪ গৰাকীয়ে ভোটদান কৰে। মুঠ আঠটা পদৰ বিপৰীতে ২০জন প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। কাইলৈ পুৱা ৯ বজাত ভোটগণনা আৰম্ভ হ'ব।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ২৬ অক্টোবৰত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ যোগেদি দেশ-বিদেশৰ জনসাধাৰণৰ সৈতে মত বিনিময় কৰিব। এয়া হ'ব মন কী বাতৰ ১২৭ সংখ্যক খণ্ড। জনসাধাৰণে ১৮০০-১১-৭৮০০ বিনামূলীয়া নম্বৰত ফোন কৰি এই খণ্ডটিৰ বাবে দিহা-পৰামৰ্শ আগবঢ়াব পাৰিব। তেওঁলোকে লগতে নৰেন্দ্ৰ মোদী এপ আৰু মাই গভ মুকলি মঞ্চৰ যোগেদিও দিহা-পৰামৰ্শ আগবঢ়াব পাৰিব। ২৪ অক্টোবৰ পৰ্যন্ত আগবঢ়োৱা দিহা-পৰামৰ্শসমূহ আগবঢ়োৱা হ'ব।

০০০০০০০

অসম চৰকাৰৰ শিক্ষা, ভৈয়াম, জনজাতি আৰু পিছপৰা শ্ৰেণী কল্যাণ বিভাগৰ মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে আজি বিজেপিৰ ধেমাজি জিলা সমিতিৰ মুখ্য কাৰ্যালয়ত অনুষ্ঠিত এন ডি এ মিত্ৰ দলৰ এখন সাংগঠনিক সভাত অংশগ্ৰহণ কৰে। সভাত জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনাৰ ন্যায়ৰ বাবে অহা ২৪ অক্টোবৰত ধেমাজিত উলিয়াবলগীয়া সমদল সন্দৰ্ভতো আলোচনা কৰা হয়। এই সভাত লখিমপুৰ লোকসভা সমষ্টিৰ সাংসদ প্ৰদান বৰুৱা, জোনাইৰ বিধায়ক ভূবন পেগু, সন্মিলিত গণশক্তিৰ সভাপতি পৰমানন্দ চায়েংগীয়া, বিজেপিৰ জিলা সমিতিৰ বিষয়ববীয়াই অংশগ্ৰহণ কৰে। মন্ত্ৰী ডাঃ পেগুৱে আজি ধেমাজিৰ মাছখোৱা স্নাতক মহাবিদ্যালয়ৰ এটা জনজাতীয় ছাত্ৰীৰ বাবে নিৰ্মাণ হ'বলগীয়া এটা নিৱাসৰো আধাৰশিলা স্থাপন কৰে।

০০০০০০০

ৰাজ্যৰ বিভিন্ন প্ৰান্তত ৰাস উৎসৱৰ উদযাপনৰ বাবে প্ৰস্তুতি অব্যাহত আছে। নলবাৰীৰ শ্ৰীশ্ৰী হৰি মন্দিৰত অহা ৫ নৱেম্বৰৰ পৰা ১৭ নৱেম্বৰলৈ হ'বলগীয়া ৰাস মহোৎসৱৰ আজি লাইখুঁটা স্থাপন কৰা হয়। এই মহোৎসৱৰ অংশ

হিচাপে অহা ৬ নৱেম্বৰত ১০ হাজাৰ শিল্পীয়ে জনতাৰ শিল্পী জুবিন গাৰ্গৰ মায়াবিনী গীতটি পৰিবেশন কৰি শ্ৰদ্ধা নিবেদন কৰিব। এই মহোৎসৱত জীৱন্ত ৰাস আৰু ভাওনা পৰিবেশন কৰা হ'ব।

তামুলপুৰ জিলা সদৰৰ হৰি মন্দিৰ প্ৰাঙ্গনতো আজি ৬৮ সংখ্যক ৰাস মহোৎসৱৰ লাইখুঁটা স্থাপন কৰা হয়। এই মহোৎসৱত প্ৰিয় শিল্পী জুবিন গাৰ্গৰ প্ৰতি শ্ৰদ্ধাঞ্জলি আৰু সংগীতানুষ্ঠান অনুষ্ঠিত হ'ব।

বাক্সা জিলাৰ নাওকাটাত অহা ৫ নৱেম্বৰৰ পৰা ৯দিনীয়াকৈ পূব ডেফেলি কেন্দ্ৰীয় ৰাস মহোৎসৱ উদযাপন কৰা হ'ব। অনুষ্ঠানত ধৰ্মীয় কাৰ্যসূচীৰ লগতে অসমবাসীৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰি বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হৈছে।

০০০০০০০

টীয়ক বিধানসভা সমষ্টিৰ অন্তৰ্গত মধ্য ছাওখাট গাঁও পঞ্চায়ত আজি কেন্দ্ৰীয় মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাই বৰখেলীয়া ৰংগমঞ্চৰ আধাৰশিলা স্থাপন কৰে। এই অনুষ্ঠানত মধ্য ছাওখাট গাঁও পঞ্চায়তৰ সভাপতি ৰাতুল বৰঠাকুৰ, টীয়ক মণ্ডল বিজেপিৰ সভানেত্ৰী মনমী তামুলীকে ধৰি ভালেসংখ্যক লোকে অংশগ্ৰহণ কৰে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে আজি জিলাখনৰ ২৮ নম্বৰ বালিচাপৰি গাঁও পঞ্চায়তৰ শিল্পী বগাই ওজা আৰু দত্ত ওজাক সাক্ষাৎ কৰে। তেওঁ মেলেঙৰ বাসগৃহত দৌৰবিদ অম্লান বৰগোঁহাইৰ পিতৃ বদন বৰগোঁহাইক সাক্ষাৎ কৰে।

০০০০০০০

দক্ষিণ শালমাৰা মানকাচৰ জিলাৰ মানকাচৰ থানাৰ অন্তৰ্গত ওখ্ৰাবাৰীত আৰক্ষীয়ে মাদক দ্ৰব্যৰ বিৰুদ্ধে অভিযান চলাই বৃহৎ পৰিমাণৰ নিচাযুক্ত টেবলেট জব্দ কৰে। যোৱা নিশা চলোৱা অভিযানত জিলাখনৰ ডাকেৰ গাঁৰৰ এজন সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰা হয়। আৰক্ষীয়ে লোকজনৰ পৰা প্ৰায় ডেৰ হাজাৰটা নিচাযুক্ত টেবলেট আৰু এখন মটৰ চাইকেল জব্দ কৰে।

০০০০০০০

আই চি চি মহিলা বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত আজি কলম্বোৰ আৰ প্ৰেমদাসা ষ্টেডিয়ামত অনুষ্ঠিত খেলত দক্ষিণ আফ্ৰিকা পাকিস্তানৰ বিৰুদ্ধে অৱতীৰ্ণ হৈছে। বৰ্ষাবিঘ্নিত খেলখনত দক্ষিণ আফ্ৰিকাই প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি আমালৈ বাতৰি অহাৰ পৰলৈকে ১৯ অভাৰত দুটা উইকেট হেৰুৱাই ১৩৫ ৰান সংগ্ৰহ কৰি খেলি আছে। খেলখন বৰষুণৰ বাবে ৪০ অভাৰলৈ হ্ৰাস কৰা হৈছে।

০০০০০০০

মঙলদৈ চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষক মঙলদৈ সাহিত্য নগৰ শাখা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি বিশিষ্ট নাগৰিক হাৰুনাৰ ৰছিদ হাজৰিকাৰ আজি গুৱাহাটীৰ এখন ব্যক্তিগত চিকিৎসালয়ত দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৭২ বছৰ। মঙলদৈ নগৰৰ দুই নম্বৰ ৱাৰ্ড নিবাসী হাজৰিকাৰ মৃত্যুত মঙলদৈ নগৰত শোকৰ ছাঁ পৰিছে।

০০০০০০০

**সমাপ্ত**